रजिस्ट्री सं डी 221

Registered No. D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRAORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

No. 23 ] NEW DELHI, TUESDAY, NOVEMBER 5, 2019 / 14 KARTIKA, 1941 (Saka) [ VOL : 19
নং ২৩ ] নতুন দিল্লী, মঙ্গলবাৰ, নৱেম্বৰ ৫, ২০১৯ / ১৪ কাতি, ১৯৪১ (শক) [খণ্ড ঃ ১৯

Separate paging is given to this part in order that it may be filed as a separate compilation

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০ (২০১০ ৰ ৩৮)

# পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব
# অধিনিয়ম, ২০১০

## অধ্যায়—১
## প্ৰাৰম্ভিক


| ধাৰাসমূহ | | পৃষ্ঠা |
|---|---|---|
| ১। | সংক্ষিপ্ত নাম, বিস্তাৰ প্ৰয়োগ আৰু প্ৰাৰম্ভণ | ১ |
| ২। | পৰিভাষা | ২ |


## অধ্যায়—২
## পাৰমানৱিক ক্ষতিৰ বাবে দায়িত্ব


| | | |
|---|---|---|
| ৩। | আনৱিক শক্তি বিনিয়মন বোৰ্ডে পাৰমানৱিক ঘটনাক অধিসূচিত কৰিব। | ৪ |
| ৪। | প্ৰৱৰ্তকৰ দায়িত্ব। | ৪ |
| ৫। | কেতবোৰ পৰিস্থিতিত প্ৰৱৰ্তক দায়ী নহব। | ৬ |
| ৬। | দায়িত্বৰ সীমা। | ৭ |
| ৭। | কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব। | ৭ |
| ৮। | প্ৰৱৰ্তকে জীৱন বীমা বা বিত্তীয় প্ৰতিভূতিৰ সংৰক্ষণ কৰিব। | ৮ |


## অধ্যায়—৩
## দাবী আয়ুক্ত


| | | |
|---|---|---|
| ৯। | পাৰমানৱিক ক্ষতি আৰু ইয়াৰ ন্যায় নিৰ্ণয়ৰ বাবে ক্ষতিপূৰণ। | ৮ |
| ১০। | দাবী আয়ুক্তৰূপে নিযুক্তিৰ বাবে অৰ্হতা। | ৮ |
| ১১। | দাবী আয়ুক্তৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিৱন্ধন আৰু চৰ্তাৱলী। | ৮ |
| ১২। | দাবী আয়ুক্তৰ ন্যায় নিৰ্ণয়ৰ প্ৰক্ৰিয়া আৰু ক্ষমতা। | ৮ |

## অধ্যায়—৪

## দাবী আৰু অধিনিৰ্ণয়

পৃষ্ঠা


১৩। দাবী আয়ুক্তৰ দ্বাৰা দাবীৰ বাবে আবেদন বিচৰা। ৯

১৪। পাৰমানৱিক ক্ষতিৰ বাবে আবেদন কৰিবলৈ হক্‌দাৰ হোৱা ব্যক্তি। ৯

১৫। দাবী আয়ুক্তত আবেদন কৰাৰ বাবে প্ৰক্ৰিয়া। ৯

১৬। দাবী আয়ুক্তৰ দ্বাৰা অধিনিৰ্ণয়। ১০

১৭। প্ৰৱৰ্তকৰ আশ্ৰয়ৰ অধিকাৰ। ১০

১৮। দাবীৰ অধিকাৰৰ লোপকৰণ। ১০


## অধ্যায়—৫

## পাৰমানৱিক ক্ষতিৰ দাবী আয়োগ


১৯। পাৰমানৱিক ক্ষতি দাবী আয়োগৰ স্থাপন। ১১

২০। আয়োগৰ গঠন। ১১

২১। পদাৱধি। ১১

২২। অধ্যক্ষ আৰু সদস্যৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্তাৱলী। ১১

২৩। পদৰিক্তিৰ পূৰণ। ১২

২৪। পদত্যাগ আৰু অপসাৰণ। ১২

২৫। অধ্যক্ষ বা সদস্যক সেৱাৰ পৰা অৱসৰ লোৱা বুলি গণ্য কৰা হ'ব। ১২

২৬। অৱসৰৰ নিলম্বন। ১২

২৭। মধ্যস্থকাৰীৰূপে কাৰ্য্য কৰাৰ প্ৰতিষেধ। ১৩

২৮। বিধি ব্যৱসায় কৰাৰ নিষেধাজ্ঞা। ১৩

২৯। অধ্যক্ষৰ ক্ষমতা। ১৩

৩০। আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ। ১৩

৩১। আয়োগত ক্ষতিপূৰণৰ বাবে কৰা আবেদন। ১৩

৩২। আয়োগৰ ন্যায় নিৰ্ণয় প্ৰক্ৰিয়া আৰু ক্ষমতা। ১৩

৩৩। আয়োগলৈ লম্বিত গোচৰসমূহৰ অন্তৰণ। ১৪

পৃষ্ঠা

৩৪। দাবী আয়ুক্ত বা আয়োগত কৰা কাৰ্য্যবাহীসমূহ ন্যায়িক কাৰ্য্যবাহী হ'ব। ১৪

৩৫। চিভিল ন্যায়ালয়ৰ অধিকাৰিতাৰ বৰ্জন। ১৫

৩৬। অধিনিৰ্ণয়ৰ বলবৎকৰণ। ১৫

৩৭। বাৰ্ষিক প্ৰতিবেদন। ১৫

৩৮। কেতবোৰ পৰিস্থিতিত আয়োগৰ ভংগকৰণ। ১৫

## অধ্যায়—৬

## অপৰাধ আৰু দণ্ড

৩৯। অপৰাধ আৰু দণ্ড ১৬

৪০। কোম্পানীৰ দ্বাৰা কৰা অপৰাধ। ১৭

৪১। চৰকাৰী বিভাগৰ দ্বাৰা কৰা অপৰাধ। ১৭

৪২। অপৰাধৰ সংজ্ঞান। ১৭

## অধ্যায়—৭

## বিবিধ

৪৩। নিৰ্দেশনা দিয়াৰ ক্ষমতা। ১৮

৪৪। তথ্য বিচৰাৰ ক্ষমতা। ১৮

৪৫। এই অধিনিয়মৰ প্ৰয়োগৰ পৰা ৰেহাই। ১৮

৪৬। অধিনিয়মখন কোনো আন বিধিৰ অতিৰিক্ত হ'ব। ১৮

৪৭। সদ্ বিশ্বাসত লোৱা কাৰ্য্য ব্যৱস্থাৰ সুৰক্ষা। ১৮

৪৮। নিয়ম-প্ৰণয়নৰ ক্ষমতা। ১৮

— 000 —

# পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০

(২০১০ ৰ সংখ্যা ৩৮)

[২১ ছেপ্টেম্বৰ, ২০১০ যথাবিদ্যমান]

পাৰমানৱিক ক্ষতি আৰু এটা দোষমুক্ত দায়িত্ব ব্যৱস্থাৰ জৰিয়তে এটা পাৰমানৱিক ঘটনাত ভুক্তভোগী ব্যক্তিক দ্রুত ক্ষতিপূৰণ দিয়া প্ৰৱৰ্তকলৈ দায়িত্বৰ প্ৰণালীকৰণ কৰা দাবী আয়ুক্তৰ নিযুক্তি, পাৰমানৱিক ক্ষতিৰ দাবী আয়োগৰ স্থাপনৰ বাবে আৰু ইয়াৰ সৈতে জড়িত বা ইয়াৰ আনুসঙ্গিক বিষয়সমূহৰ বাবে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ইয়াক, ভাৰত গণৰাজ্যৰ একষষ্ঠি তম্ বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিতৰূপে অধিনিয়মিত কৰা হওঁক ঃ—

## অধ্যায়—১

## প্ৰাৰম্ভিক

*সংক্ষিপ্ত নাম, বিস্তাৰ, প্ৰয়োগ আৰু প্ৰাৰম্ভণ।*

১। (১) এই অধিনিয়মখন, পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০ বুলি অভিহিত হ'ব।

(২) ই সমগ্ৰ ভাৰততে বিস্তাৰিত হ'ব।

(৩) ই,

(ক) ভাৰতৰ ৰাজ্যক্ষেত্ৰীয় সমুদ্ৰৰ বাহিৰেও বা সামুদ্ৰিক এলেকাত বা ইয়াৰ ওপৰত ভোগা পাৰমানৱিক ক্ষতিলৈ প্ৰয়োজ্য হ'ব;

*১৯৭৬ ৰ ৮০*

(খ) ৰাজ্যক্ষেত্ৰীয় সমুদ্ৰ, মহাদেশীয় খাত অনন্য অৰ্থনৈতিক ক্ষেত্ৰ আৰু সামুদ্ৰিক অঞ্চল অধিনিয়ম, ১৯৭৬ ৰ ধাৰা ৭ত নিৰ্দেশিত ভাৰতৰ অনন্য অৰ্থনৈতিক অঞ্চলৰ বা ইয়াৰ ওপৰত ভোগা পাৰমানৱিক ক্ষতিলৈ প্ৰযোজ্য হ'ব;

*১৯৫৮ৰ ৪৪*

(গ) জাহাজৰ ফলকৰ ওপৰত বা বাণিজ্য পোত পৰিবহন অধিনিয়ম, ১৯৫৮ৰ ধাৰা ২২ৰ অধীনত বা তৎসময় বলবৎ আন কোনো বিধিৰ অধীনত ভাৰতত পঞ্জীকৃত কোনো জাহাজৰ জৰিয়তে ভোগা পাৰমানৱিক ক্ষতিলৈ প্ৰযোজ্য হ'ব ;

*১৯৩৪ৰ ২২*

(ঘ) জাহাজৰ ফলকৰ ওপৰত বা বায়ুজান অধিনিয়ম ১৯৩৪ ৰ ধাৰা ৫ৰ উপ-ধাৰা (২)ৰ খণ্ড (ঘ) ৰ অধীনত বা তৎসময় বলবৎ আন কোনো বিধিৰ অধীনত ভাৰতত পঞ্জীকৃত কোনো বায়ুজানৰ দ্বাৰা ভোগা পাৰমানৱিক ক্ষতিলৈ প্ৰযোজ্য হ'ব।

(ঙ) ভাৰতৰ অধিকাৰিতাৰ অধীনত সংস্থাপিত বা গাঠনি কৰা এখন কৃত্ৰিম দ্বীপৰ ওপৰত বা দ্বীপৰ দ্বাৰা ভোগা পাৰমানৱিক ক্ষতিলৈ প্ৰযোজ্য হ'ব।

(৪) কেন্দ্ৰীয় চৰকাৰে স্বয়ং বা ইয়াৰ দ্বাৰা স্থাপিত কোনো প্ৰাধিকৰণ বা নিগম বা কোনো চৰকাৰী কোম্পানীৰ জৰিয়তে স্বামিত্বধীন বা নিয়ন্ত্ৰিত পাৰমানৱিক সংস্থাপনলৈ কেৱল প্ৰযোজ্য হ'ব ;

১৯৬২ৰ ৩৩ স্পষ্টীকৰণ ঃ— "এই উপধাৰাৰ প্ৰয়োজনাৰ্থে " চৰকাৰী কোম্পানীৰ আনবিক শক্তি অধিনিয়ম, ১৯৬২ৰ ধাৰা ২ৰ উপধাৰা (১) ৰ খণ্ড (খখ)ত আৰোপিত কৰা দৰে একে অৰ্থ হ'ব।

(৫) ই, কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা নিয়ত কৰা দৰে এনে তাৰিখত বলবৎ হ'ব আৰু এই অধিনিয়মৰ বিভিন্ন উপবন্ধাৱলীৰ বাবে বিভিন্ন তাৰিখ নিয়ত কৰা হ'ব আৰু এই অধিনিয়মৰ প্ৰাৰম্ভণত এনে কোনো উপবন্ধত থকা কোনো প্ৰসঙ্গ নিৰ্দেশক সেই উপবন্ধৰ প্ৰৱৰ্তনলৈ এটা প্ৰসঙ্গ নিৰ্দেশৰূপে অৰ্থ কৰা হ'ব।

*পৰিভাষা* ২। এই অধিনিয়মত, প্ৰসঙ্গত অন্যথা অপেক্ষিত নহ'লে, —

(ক) "অধ্যক্ষ" মানে ধাৰা ২০ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত আয়োগৰ অধ্যক্ষ ;

(খ) "দাবী আয়ুক্ত" মানে ধাৰা ৯ৰ উপধাৰা (২)ৰ অধীনত নিয়োজিত দাবী আয়ুক্ত;

(গ) "আয়োগ" মানে ধাৰা ১৯ৰ অধীনত স্থাপিত পাৰমানৱিক ক্ষতি দাবী আয়োগ;

১৯৮৬ৰ ২৯ (ঘ) "পাৰিপাৰ্শ্বিকতা"ৰ পাৰিপাৰ্শ্বিকতা (সংৰক্ষণ) অধিনিয়ম, ১৯৮৬ৰ ধাৰা (২)ৰ খণ্ড (ক)ত ইয়ালৈ আৰোপিত কৰা দৰে একেই অৰ্থ হ'ব ;

(ঙ) "সদস্য" মানে ধাৰা ২০ৰ উপধাৰা (১)ৰ অধীনত নিয়োজিত আয়োগৰ এজন সদস্য;

(চ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত এখন অধিসূচনা আৰু " অধিসূচিত" পদৰ তদনুসাৰে অৰ্থ হ'ব ;

(ছ) "পাৰমানৱিক ক্ষতি" মানে পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত বা উদ্ভৱ হোৱা —

(i) কোনো ব্যক্তিৰ (তৎকালীন আৰু দীৰ্ঘকালীন স্বাস্থ্য পৰিনতিক অন্তৰ্ভুক্ত কৰি) জীৱন হানি বা ব্যক্তিগত আঘাট; বা

(ii) সম্পত্তিৰ লোকচান বা ক্ষতি, আৰু ই, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অধিসূচিত বিস্তৃতিলৈ নিম্নলিখিতৰ প্ৰত্যেককে অন্তৰ্ভুক্ত কৰে ;

(iii) উপখণ্ড (i) বা (ii)ত নিৰ্দেশিত আৰু সেই উপখণ্ডৰ অধীনত কৰা দাবীত অন্তৰ্ভূক্ত নকৰা লোকচান বা ক্ষতিৰ পৰা উদ্ভৱ হোৱা কোনো অৰ্থনৈতিক লোকচান যদি এনে লোকচান বা ক্ষতি দাবী কৰিবলৈ হক্‌দাৰ এজন ব্যক্তিৰ দ্বাৰা উপগত হয় ;

(iv) এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত দুৰ্বল পাৰিপাৰ্শ্বিকতাৰ পুনৰ বাহাল ৰখাৰ ব্যৱস্থাৰ ব্যয় যদিহে এনে অৱনতি সামান্য হয়, যদি এনে ব্যৱস্থা প্ৰকৃততে লোৱা হৈছে বা লবলগীয়া হয় আৰু উপখণ্ড (ii) ৰ অধীনত কৰা দাবীত অন্তৰ্ভূক্ত নহয় ;

(v) এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত আৰু উপখণ্ড (ii) ৰ অধীনত দাবীত অন্তৰ্ভুক্ত নোহোৱা সেই পাৰিপাৰ্শ্বিকতাৰ এটা গুৰুত্বপূৰ্ণ অৱনতিৰ ফলস্বৰূপে উপগত পাৰিপাৰ্শ্বিকতাৰ কোনো ব্যৱস্থাৰ বা উপভাগত এটা অৰ্থনৈতিক স্বাৰ্থৰ পৰা প্ৰাপ্তআয়ৰ লোকচান ;

(vi) প্ৰতিৰোধ ব্যৱস্থাৰ ব্যয় আৰু এনে ব্যৱস্থাৰ দ্বাৰা কাৰিত অতিৰিক্ত লোকচান বা ক্ষতি ;

**পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০**

(vii) উপখণ্ড (iv) আৰু (v) ত নিৰ্দেশিত পাৰিপাৰ্শ্বিকতাৰ অৱনতিৰ দ্বাৰা কাৰিত এটাৰ ব্যতিৰেকে কোনো আন অৰ্থনৈতিক লোকচান যেতিয়ালৈকে ভাৰতত বলবৎ থকা আৰু কোনো আন বিধিৰ অধীনত দাবী নকৰা চিভিল দায়িত্বত থকা সাধাৰণ বিধিৰ দ্বাৰা অনুমতিপ্ৰাপ্ত কৰা নহয় ;

উপধাৰা (i) ৰ পৰা (v) ৰ ক্ষেত্ৰত আৰু (vii)ৰ ওপৰত এটা পাৰমানৱিক সংস্থাপনৰ ভিতৰত'তেজস্ক্ৰিয়তাৰ কোনো উৎসৰ দ্বাৰা নিক্ষেপিত বা পাৰমানৱিক ইন্ধন বা তেজস্ক্ৰিয় পদাৰ্থৰ পৰা বা এটা পাৰমানৱিক সংস্থাপনত থকা উৎপন্ন বা প্ৰেৰণৰ পৰা অহা পাৰমানৱিক পদাৰ্থত থকা পতিত বা তাৰ পতিত ইন্ধনৰ পৰা নিক্ষেপিত তেজস্ক্ৰিয় আয়ণৰ পৰা উদ্ভৱ হোৱা বা তাৰ পৰিনামত হোৱা লোকচান বা ক্ষতিৰ বিস্তাৰলৈ এনে তেজস্ক্ৰিয়তাৰ গুণৰ পৰা বা এনে পদাৰ্থৰ বিষসংক্ৰান্তীয় বিস্ফোৰক বা বিপদজনক গুণৰ এটা সংযোগৰ পৰা হওঁক বা নহওঁক ;

(জ) "পাৰমানৱিক ইন্ধন" মানে পৰমাণুৰ আনৱিক বিজ্ঞানৰ স্বয়ং বাহাল থকা এটা প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰ দ্বাৰা দাবী শক্তি উৎপাদনৰ বাবে সমৰ্থবান কোনো পদাৰ্থ ;

(ঝ) "পাৰমানৱিক ঘটনা" মানে একেই মূল থকা কোনো ঘটনা বা ঘটনাৰ শ্ৰেণী যিয়ে পাৰমানৱিক ক্ষতি কৰে, কিন্তু কেৱল প্ৰতিৰোধমূলক ব্যৱস্থাৰ সম্বন্ধত এনে ক্ষতিৰ উৎপত্তিত এটা গম্ভীৰ আৰু ভয়ানক বিপদৰ সৃষ্টি কৰে ;

(ঞ) "পাৰমানৱিক সংস্থাপন" মানে—

(ক) এটাৰ ব্যতিৰেকে কোনো পাৰমানৱিক বিকাৰক যাৰ সৈতে পৰিবহনৰ এটা মাধ্যম তাত প্ৰনোদনৰ বাবেই হওঁক বা কোনো আন প্ৰয়োজনৰ বাবেই হওঁক, শক্তিৰ এটা উৎসৰূপে ব্যৱহাৰৰ বাবে সাজু হ'ব ;

(খ) প্ৰবিকিৰিত পাৰমানৱিক ইন্ধনৰ পুনঃ প্ৰক্ৰিয়াক অন্তৰ্ভূক্ত কৰি পাৰমানৱিক পদাৰ্থৰ উৎপাদনৰ বাবে পাৰমানৱিক ইন্ধন ব্যৱহাৰ কোনো সুবিধা বা পাৰমানৱিক পদাৰ্থৰ প্ৰক্ৰিয়াৰ বাবে কোনো সুবিধা ; আৰু

(গ) (এনে পদাৰ্থৰ পৰিবহনৰ আনুষঙ্গিক সংৰক্ষণৰ জমা অন্যথা) কোনো সুবিধা য'ত পাৰমানৱিক পদাৰ্থ সংৰক্ষণ কৰা হয়।

স্পষ্টীকৰণ—এই খণ্ডৰ প্ৰয়োজনাৰ্থে এজন প্ৰৱৰ্তকৰ বিভিন্ন পাৰমানৱিক সংস্থাপন যিবোৰ একেই স্থানত অৱস্থিত হয়, এজন একক পাৰমানৱিক সংস্থাপকৰূপে বিবেচিত হ'ব ;

(ট) "পাৰমানৱিক পদাৰ্থ" মানে আৰু ই নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰে—

(i) ই স্বয়ং বা আন কিছুমান পদাৰ্থৰ সংযোজনত এটা পাৰমানৱিক বিকাৰকৰ বাহিৰত পাৰমানৱিক বিভাজনত স্বয়ং বাহাল থকা এটা প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰ দ্বাৰা শক্তি উৎপাদনৰ সামৰ্থবান হোৱা পাৰমানৱিক ইন্ধন ; আৰু

(ii) তেজস্ক্ৰিয় উৎপাদক বা পতিত পদাৰ্থ ;

(ঠ) "পাৰমানৱিক ৰিয়েক্টৰ" মানে এনে এটা ব্যৱস্থাত পাৰমানৱিক ইন্ধন থকা কোনো নিৰ্মাণ য'ত পাৰমানৱিক বিভাজনত স্বয়ং বাহাল থকা এটা প্ৰণালীবদ্ধ প্ৰক্ৰিয়া নিউট্ৰনৰ অতিৰিক্ত উৎস বিনা তাত সংঘটিত হ'ব পাৰে ;

১৯৬২ৰ ৩৩ (ড) কোনো পাৰমানৱিক সংস্থাপনৰ সম্পৰ্কত "প্ৰৱৰ্তক" মানে কেন্দ্ৰীয় চৰকাৰ বা ইয়াৰ দ্বাৰা স্থাপিত কোনো প্ৰাধিকৰণ বা নিগম বা এটা চৰকাৰী কোম্পানী, যাক সেই সংস্থাপনৰ প্ৰৱৰ্তনৰ বাবে আনবিক শক্তি অধিনিয়ম, ১৯৬২ৰ অনুসৰণত এখন অনুজ্ঞাপত্ৰ দিয়া হৈছে ;

(ঢ) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলীৰ দ্বাৰা বিহিত ;

(ণ) "প্ৰতিৰোধক ব্যৱস্থা" মানে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ সাপেক্ষে খণ্ড (ছ)ৰ উপখণ্ড (i) ৰ পৰা (v) আৰু (vii) ত নিৰ্দেশিত ক্ষতি প্ৰতিৰোধ বা হ্ৰাস কৰিবলৈ এটা পাৰমানৱিক ঘটনাৰ সংঘটিত হোৱাৰ পিচত কোনো ব্যক্তিৰ দ্বাৰা লোৱা যুক্তিসংগত ব্যৱস্থা ;

(ত) "তেজস্ক্ৰিয় উৎপাদক বা পতিত পদাৰ্থ" মানে পাৰমানৱিক ইন্ধনৰ উৎপাদন বা ব্যৱহৃতকৰণৰ আনুষঙ্গিক তেজস্ক্ৰিয়তে উৎপাদিত কোনো তেজস্ক্ৰিয় পদাৰ্থ বা প্ৰকটকৰণৰ দ্বাৰা তেজস্ক্ৰিয় কৰা কোনো পদাৰ্থ, কিন্তু ই তেজস্ক্ৰিয় সম'প্ৰট'নক অন্তৰ্ভুক্ত নকৰে যি সৃষ্টিৰ চূড়ান্ত পৰ্য্যয়ত এনেদৰে উপনীত হৈছে যাতে ই কোনো বৈজ্ঞানিক, চিকিৎসা, কৃষি, বাণিজ্যিক বা ঔদ্যোগিক প্ৰয়োজনত ব্যৱহৃত হ'ব পাৰে ;

(থ) "বিশেষ আহৰণ অধিকাৰ" মানে আন্তৰ্জাতিক আৰ্থিক নিধিৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা দৰে বিশেষ আহৰণ অধিকাৰ।

## অধ্যায়—২

## পাৰমানৱিক ক্ষতিৰ বাবে দায়িত্ব

*আনৱিক শক্তি বিনিয়মন বোৰ্ডে পাৰমানৱিক ঘটনাক অধিসূচিত কৰিব।*
১৯৬২ৰ ৩৩

৩। (১) আনৱিক শক্তি অধিনিয়ম, ১৯৬২ৰ অধীনত গঠিত আনৱিক শক্তি বিনিয়মন বোৰ্ডে এটা পাৰমানৱিক ঘটনাৰ সংঘটনৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ এটা কালৰ ভিতৰত, এনে পাৰমানৱিক ঘটনাক অধিসূচিত কৰিব ঃ

পৰন্তু য'ত আনৱিক শক্তি বিনিয়মন বোৰ্ড সন্তুষ্ট হয় যে কোনো পাৰমানৱিক ঘটনাত জড়িত ভীতি প্ৰদৰ্শন আৰু বিপদৰ গভীৰতা সামান্য হয়, তেতিয়া ইয়াক এনে পাৰমানৱিক ঘটনাক অধিসূচিত কৰিবলৈ অপেক্ষিত কৰা ন'হব ।

(২) পাৰমানৱিক শক্তি বিনিয়মন বোৰ্ডে উপধাৰা (১)ৰ অধীনত অধিসূচনা জাৰি কৰাৰ তৎকালীন পিচত ই উচিত গণ্য কৰা দৰে এনে ৰীতিত এনে পাৰমানৱিক ঘটনাৰ সংগঠনত এটা বিস্তৃত প্ৰচাৰ কৰিব।

*প্ৰৱৰ্ত্তকৰ দায়িত্ব*

৪। (১) পাৰমানৱিক সংস্থাপনৰ প্ৰৱৰ্তকজন এটা—

(ক) সেই পাৰমানৱিক সংস্থাপনত সংঘটিত ; বা

(খ) সেই পাৰমানৱিক সংস্থাপনৰ পৰা অহা বা সৃষ্টি ত জড়িত পাৰমানৱিক পদাৰ্থৰ এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত এটা পাৰমানৱিক ক্ষতিৰ বাবে দায়ী হ'ব আৰু সংঘটনৰ পূৰ্বে—

(i) এনে পাৰমানৱিক পদাৰ্থৰ সৈতে জড়িত পাৰমানৱিক ঘটনাৰ বাবে দায়িত্ব, আন প্ৰৱৰ্তকৰ দ্বাৰা লিখিত চুক্তিৰ অনুসৰণত ধাৰণ কৰা হয় ; বা

(ii) আন প্ৰৱৰ্তকে এনে পাৰমানৱিক পদাৰ্থৰ প্ৰভাৱ ; বা

(iii) এটা পাৰমানৱিক বিকাৰক প্ৰৱৰ্তন কৰিবলৈ সম্যকৰূপে প্ৰাধিকৃত ব্যক্তিয়ে সেই বিকাৰকত ব্যৱহাৰ কৰিবলৈ অভিপ্ৰেত পাৰমানৱিক পদাৰ্থৰ প্ৰভাৱ লৈছে যাৰ সৈতে পৰিবহনৰ এটা মাধ্যম তাত প্ৰনোদনৰ বাবেই হওঁক বা আন কোনো প্ৰয়োজনৰ বাবেই হওঁক শক্তিৰ এটা উৎসৰূপে ব্যৱহাৰৰ বাবে সাজু হয় ;

(iv) এনে পাৰমানৱিক পদাৰ্থ পৰিবহনৰ মাধ্যমেৰে ভৰোৱা হৈছে যাৰ দ্বাৰা ইয়াক এখন বিদেশী ৰাজ্যৰ ৰাজ্যক্ষেত্ৰৰ ভিতৰত এজন ব্যক্তিলৈ প্ৰেৰণ কৰা হৈছিল ; বা

(গ) সেই পাৰমানৱিক সংস্থাপনলৈ প্ৰেৰণ কৰা পাৰমানৱিক পদাৰ্থ জড়িত হোৱাত আৰু সংঘটনৰ পিচত—

(i) এনে পাৰমানৱিক পদাৰ্থ জড়িত থকা পাৰমানৱিক ঘটনাৰ বাবে দায়িত্ব, আন পাৰমানৱিক সংস্থাপনৰ প্ৰৱৰ্তকৰ দ্বাৰা, লিখিত চুক্তিৰ অনুসৰণত সেই প্ৰৱৰ্তকলৈ অন্তৰিত কৰা হৈছে ; বা

(ii) সেই প্ৰৱৰ্তকে, এনে পাৰমানৱিক পদাৰ্থৰ প্ৰভাৱ লৈছে ; বা

(iii) সেই প্ৰৱৰ্তকে, এটা পাৰমানৱিক বিকাৰক প্ৰৱৰ্তন কৰা এজন ব্যক্তিৰ পৰা এনে পাৰমানৱিক পদাৰ্থৰ প্ৰভাৱ লৈছে যাৰ সৈতে পৰিবহনৰ এটা মাধ্যম তাত প্ৰনোদনৰ বাবেই হওঁক বা আন কোনো প্ৰয়োজনৰ বাবেই হওঁক, শক্তিৰ এটা উৎসৰূপে ব্যৱহাৰৰ বাবে সাজু হয় ;

(iv) এনে পাৰমানৱিক পদাৰ্থ পৰিবহনৰ মাধ্যমেৰে সেই প্ৰৱৰ্তকৰ লিখিত সন্মতিৰ সৈতে ভৰোৱা হৈছে, যাৰ দ্বাৰা ইয়াক এখন বিদেশী ৰাজ্যৰ ৰাজ্যক্ষেত্ৰৰ পৰা বহন কৰা হ'ব।

(২) য'ত এজনতকৈ অধিক প্ৰৱৰ্তক পাৰমানৱিক ক্ষতিৰ বাবে দায়ী হয়, এনেদৰে জড়িত প্ৰৱৰ্তকৰ দায়িত্ব য'তদূৰ আৰোপনীয় ক্ষতি পৃথকযোগ্য নহব, যুটীয়া আৰু একাধিক হ'ব ঃ

পৰন্তু এনে প্ৰৱৰ্তকৰ মুঠ দায়িত্ব ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত বিনিৰ্দিষ্ট দায়িত্বৰ বিস্তাৰৰ অধিক ন'হব।

(৩) যেতিয়া এজন আৰু একেই প্ৰৱৰ্তকে একাধিক পাৰমানৱিক সংস্থান এটা পাৰমানৱিক ঘটনাত জড়িত হয়, এনে প্ৰৱৰ্তকে এনে প্ৰত্যেক পাৰমানৱিক সংস্থাপনৰ সম্বন্ধত, ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত বিনিৰ্দিষ্ট দায়িত্বৰ বিস্তাৰলৈ দায়ী হ'ব।

**পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০**

(৪) পাৰমানৱিক সংস্থাপনৰ প্ৰৱৰ্তকৰ দায়িত্ব দৃঢ় নিয়ম হ'ব আৰু দোষমুক্ত দায়িত্বৰ নীতিৰ ওপৰত আধাৰিত হ'ব।

স্পষ্টীকৰণ—এই ধাৰাৰ প্ৰয়োজনাৰ্থে—

(ক) যেতিয়া এনে সংস্থাপনত পদাৰ্থৰ পৰিবহনত অস্থায়ী সংৰক্ষণৰ বাবে এটা পাৰমানৱিক সংস্থাপনত সংঘটিত এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা এটা পাৰমানৱিক ক্ষতি হয়, এনে পদাৰ্থৰ পৰিবহনৰ বাবে দায়িত্ববান হোৱা ব্যক্তিজনক প্ৰৱতৰ্তক বুলি গণ্য কৰা হ'ব;

(খ) যেতিয়া পাৰমানৱিক পদাৰ্থৰ পৰিবহনৰ কালত পাৰমানৱিক ঘটনাৰ ফলস্বৰূপে এটা পাৰমানৱিক ক্ষতি হয়, তেতিয়া প্ৰেৰকক, প্ৰৱৰ্তক বুলি গণ্য কৰা হ'ব।

(গ) যেতিয়া প্ৰেৰক আৰু প্ৰেৰনাৰ্থী বা যথাস্থিতি প্ৰেৰক আৰু পাৰমানৱিক পদাৰ্থৰ বাহকৰ মাজত কোনো লিখিত চুক্তি প্ৰৱিষ্ট হয়, এনে চুক্তিৰ অধীনত কোনো পাৰমানৱিক ক্ষতিৰ বাবে দায়ী ব্যক্তিক প্ৰৱৰ্তক বুলি গণ্য কৰা হ'ব।

(ঘ) পাৰমানৱিক ক্ষতিৰ ব্যতিৰেকে পাৰমানৱিক ক্ষতি আৰু ক্ষতি উভয়ে এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা বা এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা যুটীয়াভাৱে কাৰিত হৈছে আৰু এক বা ততোধিক ঘটনা ঘটিছে, এনে আন ক্ষতিক, পাৰমানৱিক ক্ষতিৰ পৰা পৃথক নোহোৱা বিস্তাৰলৈ এনে পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত এটা পাৰমানৱিক ক্ষতি বুলি গণ্য কৰা হ'ব।

*কেতবোৰ পৰিস্থিতিত প্ৰৱৰ্তক দায়ী ন'হব।*

৫। (১) এজন প্ৰৱৰ্তক কোনো পাৰমানৱিক ক্ষতিৰ বাবে দায়ী ন'হব য'ত এনে ক্ষতি নিম্নলিখিতৰ বাবে প্ৰত্যক্ষৰূপে এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত হয়—

(i) কোনো ব্যতিক্ৰমী চৰিত্ৰৰ এটা গুৰুতৰ প্ৰাকৃতিক দুৰ্যোগ ; বা

(ii) সশস্ত্ৰ সংঘৰ্ষ, শত্ৰুতা, গৃহযুদ্ধ, বিপ্লৱ বা সন্ত্ৰাসবাদৰ কোনো কাৰ্য্য।

(২) এজন প্ৰৱৰ্তক নিম্নলিখিতৰ কোনো পাৰমানৱিক ক্ষতিৰ কাৰণৰ বাবে দায়ী ন'হব—

(i) এটা স্বয়ং পাৰমানৱিক সংস্থাপন আৰু এনে সংস্থাপন অৱস্থিত হোৱা এটা অঞ্চলত নিৰ্মিত এটা পাৰমানৱিক সংস্থাপনক অন্তৰ্ভুক্ত কৰি আন কোনো পাৰমানৱিক সংস্থাপন; আৰু

(ii) একেই স্থানত থকা কোনো সম্পত্তিৰ যিটো এনে কোনো সংস্থাপনৰ সম্বন্ধত ব্যৱহৃত হয় বা ব্যৱহৃত হবলগীয়া হয় ; বা

(iii) পৰিবহনৰ মাধ্যম যাৰ ওপৰত পাৰমানৱিক পদাৰ্থ জড়িত থাকে, পাৰমানৱিক ঘটনাৰ সময়ত বহন কৰা হৈছিল ঃ

পৰন্তু এটা পাৰমানৱিক ক্ষতিৰ বাবে এজন প্ৰৱৰ্তকৰ দ্বাৰা দেয় হোৱাৰ বাবে দায়ী কোনো ক্ষতিপূৰণ সম্প্ৰতি বলবৎ আন কোনো বিধিৰ অধীনত ক্ষতিৰ বাবে কোনো আন দাবীৰ সম্বন্ধত তেওঁৰ দায়িত্বৰ পৰিমান হ্ৰাসলৈ প্ৰভাৱ ন'হব।

(৩) য'ত কোনো পাৰমানৱিক ক্ষতি এজন ব্যক্তিৰ দ্বাৰা তেওঁৰ নিজা অৱহেলাৰ বাবে বা তেওঁ নিজে কৰা কাৰ্য্য বা ত্ৰুটীৰ বাবে ক্ষতি হয়, তাত প্ৰৱৰ্তক, এনে ব্যক্তিলৈ দায়ী ন'হব।

**পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০**

*দায়িত্বৰ সীমা* ৬। (১) প্ৰত্যেক পাৰমানৱিক ঘটনাৰ সম্বন্ধত দায়িত্বৰ অধিকতম পৰিমান কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰা দৰে তিনিশ নিযুত বিশেষ আহৰণ অধিকাৰ বা এনে উচ্চতৰ পৰিমানৰ সমান ধনৰাশি হ'ব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে, য'ত আৱশ্যকীয় হয় তাত অতিৰিক্ত ব্যৱস্থা ল'ব পাৰে, যদি এই অধিনিয়মৰ অধীনত অধিনিৰ্ণয় কৰিবলগীয়া ক্ষতিপূৰণ এই উপধাৰাৰ অধীনত বিনিৰ্দিষ্ট পৰিমানৰ অধিক হয় ;

(২) প্ৰত্যেক পাৰমানৱিক ঘটনাৰ বাবে এজন প্ৰৱৰ্তকৰ নিম্নলিখিত দায়িত্ব হ'ব—

(ক) দহ মেগাওৱেটৰ সমান বা ওঁপৰৰ তাপবিদ্যুৎ শক্তি থকা পাৰমানৱিক বিকাৰকৰ সম্বন্ধত, এজোৰ পাচশ কৌটি টকা ;

(খ) ব্যয় হোৱা ইন্ধনৰ পুনঃপ্ৰক্ৰিয়াৰ সংযন্ত্ৰৰ সম্বন্ধত, তিনিশ কৌটি টকা ;

(গ) দহ মেগাওৱেটৰ নিম্ন তাপবিদ্যুৎ শক্তি থকা গবেষণাৰ বিকাৰক, ব্যয় হোৱা ইন্ধনৰ পুনঃপ্ৰক্ৰিয়া সংযন্ত্ৰ ব্যতিৰেকে ইন্ধন প্ৰক্ৰিয়াৰ সুবিধা আৰু পাৰমানৱিক পদাৰ্থৰ পৰিবহনৰ সম্বন্ধত, একশ কৌটি টকা ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে প্ৰৱৰ্তকৰ দায়িত্বৰ ধনৰাশি পুনৰীক্ষণ কৰিব পাৰে আৰু এই উপধাৰাৰ অধীনত এটা উচ্চতৰ ধনৰাশি অধিসূচনাৰ দ্বাৰা বিনিৰ্দিষ্ট কৰিব বাৰে ঃ

উপৰন্তু দায়িত্বৰ পৰিমানে কাৰ্যবাহীৰ কোনো হিত বা ব্যয়ক অন্তৰ্ভূক্ত নকৰিব।

*কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব।* ৭। (১) কেন্দ্ৰীয় চৰকাৰ, নিম্নলিখিত এটা পাৰমানৱিক ঘটনাৰ সম্বন্ধত পাৰমানৱিক ক্ষতিৰ বাবে দায়ী হ'ব—

(ক) যেতিয়া দায়িত্বৰ ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত বিনিৰ্দিষ্ট কোনো প্ৰৱৰ্তকৰ দায়িত্বৰ পৰিমাণ এনে বিস্তাৰৰ অতিৰিক্ত হয় তাত এনে দায়িত্ব প্ৰৱৰ্তকৰ এনে দায়িত্বৰ অতিৰিক্ত হয় ;

(খ) ইয়াৰ দ্বাৰা স্বামীত্বাধীন এটা পাৰমানৱিক সংস্থাপনত সংগঠিত হোৱা এটা পাৰমানৱিক ঘটনা, আৰু

(গ) ধাৰা ৫ৰ উপধাৰা (১)ৰ খণ্ড (i) আৰু (ii)ত বিনিৰ্দিষ্ট কাৰণৰ বাবে সংঘটিত হোৱা এটা পাৰমানৱিক ঘটনা ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰে লোকহিতত ইয়াৰ আৱশ্যক বুলি যদিহে তেওঁ মত পোষণ কৰে অধিসূচনাৰ দ্বাৰা ইয়াৰ দ্বাৰা প্ৰৱৰ্তন নোহোৱা এটা পাৰমানৱিক সংস্থাপনৰ বাবে সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিব পাৰে।

(২) উপধাৰা (১)ৰ খণ্ড (ক) বা খণ্ড (গ)ৰ অধীনত ইয়াৰ দায়িত্ব পূৰ্তি কৰাৰ প্ৰয়োজনাৰ্থে কেন্দ্ৰীয় চৰকাৰে বিহিত কৰা দৰে এনে ৰীতিত প্ৰৱৰ্তকৰ পৰা উদগ্ৰহণৰ এনে ধনৰাশিৰ আৰোপনৰ দ্বাৰা পাৰমানৱিক দায়িত্ব নিধি নামেৰে এটা নিধি স্থাপন কৰিব পাৰে।

*প্ৰৱৰ্তকে জীৱনবীমা বা বিত্তীয় প্ৰতিভূতিৰ সংৰক্ষণ কৰিব।*

৮। (১) প্ৰৱৰ্তকে, তেওঁ, তেওঁৰ পাৰমানৱিক সংস্থাপন প্ৰবৰ্তন কৰাৰ পূৰ্বে, বিহিত কৰা দৰে এনে ৰীতিত ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত তেওঁৰ দায়িত্বভূক্ত কৰা জীৱন বীমা আঁচনি বা এনে আন বিত্তীয় প্ৰতিভূতি বা উভয়কে দিব।

(২) প্ৰৱৰ্তকে, সময়ে সময়ে, ইয়াৰ বৈধতাৰ কালৰ অৱসানৰ পূৰ্বে উপধাৰা (১)ত নিৰ্দেশিত জীৱন বীমা আঁচনি বা আন বিত্তীয় প্ৰতিভূতি পুনৰীক্ষণ কৰিব।

(৩) উপধাৰা (১) আৰু (২)ৰ উপবন্ধাৱলী কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্বামীত্বাধীন এটা পাৰমানৱিক সংস্থানলৈ প্ৰযোজ্য ন'হব।

স্পষ্টীকৰণ—এই ধাৰাৰ প্ৰয়োজনাৰ্থে, "বিত্তীয় + প্ৰতিভূতি" মানে বিহিত কৰা দৰে ক্ষতিপূৰণ বা প্ৰত্যাভূতিৰ সংবিদা বা অংশীদাৰী বা বন্ধপত্ৰ বা এনে লেখ্যৰ বা ইয়াৰ কোনো সংযোজন।

## অধ্যায়—৩

## দাবী আয়ুক্ত

*পাৰমানৱিক ক্ষতি আৰু ইয়াৰ ন্যায় নিৰ্ণয়ৰ বাবে ক্ষতিপূৰণ।*

৯। (১) পাৰমানৱিক ক্ষতিত ভোগা ব্যক্তিয়ে, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত ক্ষতিপূৰণ দাবী কৰিবলৈ হক্‌দাৰ হ'ব।

(২) পাৰমানৱিক ক্ষতিৰ সম্বন্ধত ক্ষতিপূৰণৰ বাবে কৰা দাবীৰ ওপৰত ন্যায় নিৰ্ণয়ৰ প্ৰয়োজনাৰ্থে, কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা সেই অধিসূচনাত বিনিৰ্দিষ্ট কৰা দৰে এনে এলেকাৰ বাবে এক বা ততোধিক দাবী আয়ুক্তক নিযুক্তি দিব।

*দাবী আয়ুক্তৰূপে নিযুক্তিৰ বাবে অৰ্হতা।*

১০। এজন ব্যক্তি, এজন দাবী আয়ুক্তৰূপে নিযুক্তিৰ বাবে অনৰ্হ হ'ব যদিহে তেওঁ—

(ক) এজন জিলা ন্যায়াধীশ হয় বা হৈছে; বা

(খ) কেন্দ্ৰীয় চৰকাৰৰ সেৱাত থাকে আৰু ভাৰত চৰকাৰৰ অতিৰিক্ত সচিবৰ পদমৰ্যদাৰ নিম্নতৰ নোহোৱা পদ বা কেন্দ্ৰীয় চৰকাৰ আন কোনো সমতুল্য পদ ধাৰণ কৰিছে।

*দাবী আয়ুক্তৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী।*

১১। দাবী আয়ুক্তলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

*দাবী আয়ুক্তৰ ন্যায়নিৰ্ণয়ৰ প্ৰক্ৰিয়া আৰু ক্ষমতা।*

১২। (১) এই অধিনিয়মৰ অধীনত দাবীৰ ন্যায়নিৰ্ণয়ৰ প্ৰয়োজনাৰ্থে, দাবী আয়ুক্তই বিহিত কৰা এনে প্ৰক্ৰিয়া অনুসৰণ কৰিব।

(২) অনুসন্ধান কৰাৰ প্ৰয়োজনাৰ্থে, দাবী আয়ুক্তই পাৰমানৱিক খণ্ডত অভিজ্ঞতা থকা এনে ব্যক্তিসমূহক বা এনে আন ব্যক্তিক আৰু বিহিত কৰা দৰে এনে ৰীতিত তেওঁৰ সৈতে সহযোগ কৰিব পাৰে।

(৩) য'ত কোনো ব্যক্তি উপধাৰা (২)ৰ অধীনত সহযোজিত হয় তেওঁক বিহিত কৰা দৰে এনে পাৰিশ্ৰমিক, মাচুল বা ভাত্তা দিয়া হ'ব।

১৯০৮ৰ ৫ (৪) দাবী আয়ুক্তৰ, এই অধিনিয়মৰ অধীনত তেওঁৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা একেই ক্ষমতা থাকিব যেতিয়া নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত এটা বাদ বিচাৰ কৰা হয়, অৰ্থাৎ ঃ—

(ক) কোনো ব্যক্তিক চমন জাৰি কৰা আৰু হাজিৰ কৰোৱা আৰু শপতত তেওঁক পৰীক্ষা কৰা।

(খ) দস্তাবেজৰ উদ্ভাৱন আৰু উপস্থাপন ;

(গ) শপতপত্ৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্যালয়ৰ পৰা কোনো লোক অভিলেখ বা ইয়াৰ প্ৰতিলিপি অধিগ্ৰহণ কৰা ;

(ঙ) কোনো সাক্ষীৰ পৰীক্ষণৰ বাবে কমিচন জাৰী কৰা ;

(চ) বিহিত কৰিব পৰা আন কোনো বিষয়।

১৯৭৪ৰ ২ (৫) দাবী আয়ুক্তক দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৯৭৩ৰ ধাৰা ১৯৫ আৰু অধ্যায় ২৬ৰ প্ৰয়োজনাৰ্থে এখন চিভিল ন্যায়ালয় বুলি গণ্য কৰা হ'ব।

## অধ্যায়—৪

## দাবী আৰু অধিনিৰ্ণয়

*দাবী আয়ুক্তৰ দ্বাৰা দাবীৰ বাবে আবেদন বিচৰা।*

১৩। ধাৰা ৩ৰ উপধাৰা (১) ৰ অধীনত পাৰমানৱিক ঘটনাৰ অধিসূচনাৰ পিচত, এলেকাৰ ওপৰত অধিকাৰিতা থকা দাবী আয়ুক্তই পাৰমানৱিক ক্ষতিৰ বাবে ক্ষতিপূৰণৰ দাবীৰ বাবে আবেদন বিচৰাৰ বাবে, তেওঁ উচিত গণ্য কৰা দৰে এনে ৰীতিত ব্যাপক প্ৰচাৰ কৰিব।

*পাৰমানৱিক ক্ষতিৰ বাবে আবেদন কৰিবলৈ হকদাৰ হোৱা ব্যক্তি।*

১৪। পাৰমানৱিক ক্ষতিৰ সম্বন্ধত দাবী আয়ুক্ত বা যথাস্থিতি, আয়োগত ক্ষতিপুৰণৰ বাবে কৰা এখন আবেদন, নিম্নলিখিতৰ দ্বাৰা কৰা হ'ব—

(ক) আঘাটপ্ৰাপ্ত এজন ব্যক্তি ; বা

(খ) ক্ষতি হোৱা সম্পত্তিৰ মালিক ; বা

(গ) মৃত ব্যক্তিৰ বিধিক প্ৰতিনিধি ; বা

(ঘ) এনে ব্যক্তি বা মালিক বা বিধিক প্ৰতিনিধিৰ দ্বাৰা সম্যকৰূপে প্ৰাধিকৃত কোনো অভিকৰ্ত্তা।

*দাবী আয়ুক্তত আবেদন কৰাৰ বাবে প্ৰক্ৰিয়া।*

১৫। (১) পাৰমানৱিক ক্ষতিৰ বাবে দাবী আয়ুক্তত ক্ষতিপূৰণৰ বাবে প্ৰত্যেক আবেদন বিহিত কৰা দৰে এনে সবিশেষ থকা আৰু এনে দস্তাবেজসহ এনে প্ৰপত্ৰত, কৰা হ'ব।

(২) ধাৰা ১৮ৰ উপবন্ধাৱলীৰ সাপেক্ষে, উপধাৰা (১)ৰ অধীনত প্ৰত্যেক আবেদন, এনে ক্ষতিত ভোগা ব্যক্তিৰ দ্বাৰা পাৰমানৱিক ক্ষতিৰ অৱগত হোৱা তাৰিখৰ পৰা তিনি বছৰৰ এটা কালৰ ভিতৰত পৰা হ'ব।

**পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০**

*দাবী আয়ুক্তৰ দ্বাৰা অধিনিৰ্ণয়।*

১৬। (১) ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত এখন আবেদনৰ প্ৰাপ্তিত, দাবী আয়ুক্তই, প্ৰৱৰ্তকক এনে আবেদনৰ সূচনা দিয়াৰ পিচত আৰু পক্ষসমূহক শুনানীৰ এটা সুযোগ প্ৰদানৰ পিচত, এনে প্ৰাপ্তিৰ তাৰিখৰ পৰা তিনিমাহৰ এটা কালৰ ভিতৰত আবেদনৰ নিষ্পত্তি কৰিব আৰু তদানুসাৰে অধিনিৰ্ণয় দিব।

(২) এই ধাৰাৰ অধীনত এটা অধিনিৰ্ণয় দিয়াৰ সময়ত দাবী আয়ুক্তই, তেওঁৰ দ্বাৰা বা তেওঁ পৰিয়ালৰ সদস্য বা অন্যথাৰ বাবে লোৱা জীৱনবীমা চুক্তিৰ অনুসৰণত আবেদকৰ দ্বাৰা প্ৰাপ্ত কোনো সুবিধা, পৰিশোধ বা ধনৰাশি বিবেচনাত নলব।

*১৯০৮ৰ ৫*

(৩) যেতিয়া এজন প্ৰৱৰ্তকৰ, তেওঁৰ দ্বাৰা দেয় অধিনিৰ্ণয়ৰ ধনৰাশিক কৌশলেৰে পৰিহাৰ কৰাৰ উদ্দেশ্যে তেওঁৰ সম্পত্তি অপসাৰণ বা নিষ্পত্তি কৰাৰ সম্ভৱনা থাকে, দাবী আয়ুক্তই, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ৰ প্ৰথম অনুসূচীৰ আদেশ XXXIX ৰ নিয়মাৱলী ১ৰ পৰা ৪ উপবন্ধাৱলীৰ অনুসৰণত, এনে কাৰ্য্য বাৰণ কৰিবলৈ এটা অস্থায়ী নিষেধাজ্ঞা মঞ্জুৰ কৰিব পাৰে।

(৪) দাবী আয়ুক্তই, অধিনিৰ্ণয়ৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ এটা কালৰ ভিতৰত পক্ষসমূহলৈ অধিনিৰ্ণয়ৰ প্ৰতিলিপি প্ৰদান কৰিবলৈ ব্যৱস্থা কৰিব।

(৫) উপধাৰা (১)ৰ অধীনত কৰা প্ৰত্যেক অধিনিৰ্ণয় চূড়ান্ত হ'ব।

*প্ৰৱৰ্তকৰ আশ্ৰয়ৰ অধিকাৰ*

১৭। পাৰমানৱিক সংস্থানৰ প্ৰবৰ্ত্তকৰ, ধাৰা ৬ৰ অনুসৰণত পাৰমানৱিক ক্ষতিৰ বাবে ক্ষতিপূৰণ আদায় দিয়াৰ পিচত সহায় অধিকাৰ থাকিব য'ত—

(ক) এনে অধিকাৰ লিখিত ভাৱে এটা চুক্তিৰ প্ৰত্যক্ষভাবে উপবন্ধিত হয় ;

(খ) যোগানকাৰী বা তেওঁৰ কৰ্মচাৰীৰ কোনো কাৰ্য্যৰ পৰিনাম স্বৰূপে এটা পাৰমানৱিক ঘটনা ঘটে যিয়ে পেটেণ্ট থকা বা অপ্ৰকট ক্ৰটী থকা বা উপমানক সেৱাৰ কোনো সা-সৰঞ্জাম বা পদাৰ্থৰ যোগানক অন্তৰ্ভুক্ত কৰে ;

(গ) পাৰমানৱিক ক্ষতি কৰাৰ অভিপ্ৰায়সহ এজন ব্যক্তিয়ে কৰা কাৰ্য্য বা ক্ৰটীৰ ফলস্বৰূপে পাৰমানৱিক ঘটনা ঘটে।

*দাবীৰ অধিকাৰৰ লোপকৰণ।*

১৮। পাৰমানৱিক ক্ষতিৰ বাবে ক্ষতিপূৰণ দাবীৰ অধিকাৰ লোপ কৰিব যদি এনে দাবী, ধাৰা ৩ৰ উপধাৰা (১)ৰ অধীনত অধিসূচিত ঘটনাৰ সংঘটনৰ তাৰিখৰ পৰা —

(ক) সম্পত্তিৰ ক্ষতিৰ ক্ষেত্ৰত দহ বছৰ ;

(খ) কোনো ব্যক্তিৰ ব্যক্তিগত আঘাটৰ ক্ষেত্ৰত বিশ বছৰৰ এটা অৱধিৰ ভিতৰত কৰা নহয় ঃ

পৰন্তু যেতিয়া কোনো পাৰমানৱিক ক্ষতি, পাৰমানৱিক পদাৰ্থ জড়িত থকা এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত হয় যিটো, এনে পাৰমানৱিক ঘটনাৰ পূৰ্বে চুৰি হৈছে, হেৰাইছে, প্ৰক্ষেপণ কৰিছে বা পৰিত্যক্ত হৈছে, তেতিয়া উক্ত দহ বছৰ কাল, এনে পাৰমানৱিক ঘটনাৰ তাৰিখৰ পৰা গণনা কৰা হ'ব কিন্তু কোনো ক্ষেত্ৰত ই এনে চুৰি, হেৰুওৱা, প্ৰক্ষেপন বা পৰিত্যক্তকৰণৰ তাৰিখৰ পৰা বিশ বছৰ কোনো কালৰ অধিক নহব।

## অধ্যায়—৫

## পাৰমানৱিক ক্ষতি দাবী আয়োগ

*পাৰমানৱিক ক্ষতিৰ দাবী আয়োগৰ স্থাপন।*

১৯। য'ত কেন্দ্ৰীয় চৰকাৰে, এটা পাৰমানৱিক ঘটনাৰ দ্বাৰা কাৰিত হানি বা ক্ষতিৰ অৱধানত ৰাখি এনে ক্ষতিৰ বাবে এনে দাবী, এজন দাবী আয়ুক্তৰ পৰিবৰ্তে আয়োগৰ দ্বাৰা অধিনিৰ্ণয় কৰাটো লোক হিতত সমীচীন বুলি ই মত পোষণ কৰে, তেওঁ অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে এখন আয়োগ স্থাপন কৰিব পাৰে।

*আয়োগৰ গঠন*

২০। (১) আয়োগ কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, নিয়ত কৰা দৰে এজন অধ্যক্ষ আৰু ছয় জনৰ অনধিক এনে আন সদস্য সমূহেৰে গঠিত হ'ব।

(২) আয়োগৰ অধ্যক্ষ আৰু আন সদস্য, পাৰমানৱিক বিজ্ঞানত কমেও ত্ৰিশ বছৰৰ অভিজ্ঞতা থকা ব্যক্তিসমূহ আৰু এজন উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ মাজৰ পৰা তিনিজন বিশেষজ্ঞৰে গঠিত এখন বাচনি সমিতিৰ চুপাৰিছত নিযুক্তি দিয়া হ'ব।

(৩) এজন ব্যক্তি আয়োগৰ অধ্যক্ষৰূপে নিযুক্তিৰ বাবে অৰ্হ নহব যি পৰ্য্যন্ত তেওঁ পচপন্ন বছৰ বয়সপ্ৰাপ্ত নকৰে আৰু উচ্চ ন্যায়ালয়ৰ এজন ন্যায়াধীশ হয় বা হৈছে বা হবলৈ অৰ্হতা সম্পন্ন নহয় ঃ

পৰন্তু কোনো এজন কাৰ্য্যৰত ন্যায়াধীশৰে কোনো নিযুক্তি ভাৰতৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শৰ পিচত অন্যাথা দিয়া নহব।

(৪) এজন ব্যক্তি এজন সদস্যৰূপে নিযুক্তিৰ বাবে অৰ্হ নহব যি পৰ্য্যন্ত তেওঁ পচপন্ন বছৰ বয়সপ্ৰাপ্ত নকৰে, আৰু—

(ক) ভাৰত চৰকাৰৰ অতিৰিক্ত সচিবৰ পদত বা কেন্দ্ৰীয় চৰকাৰত কোনো আন সমতুল্য পদত পদ ধাৰণ নকৰা বা কৰি থকা নাই বা পদ ধাৰণ কৰিবলৈ অৰ্হতা সম্পন্ন নহয় আৰু পাৰমানৱিক ঘটনাৰ পৰা উদ্ভৱ হোৱা পাৰমানৱিক দায়িত্ব সম্পৰ্কিত বিধিত বিশেষ জ্ঞান নাথাকে ; বা

(খ) পাঁচ বছৰৰ বাবে এজন দাবী আয়ুক্ত হোৱা নাই।

*পদাৱধি*

২১। অধ্যক্ষ বা যথাস্থিতি এজন সদস্যই তেওঁ পদত প্ৰৱিষ্ট হোৱা তাৰিখৰ পৰা তিনি বছৰৰ এটা অৱধিৰ বাবে এনেদৰে পদ ধাৰণ কৰিব আৰু আন তিনি বছৰৰ অৱধিৰ বাবে পুনৰ নিযুক্তিৰ বাবে যোগ্য হ'বঃ

পৰন্তু কোনো ব্যক্তিয়ে, তেওঁ সাতষষ্ঠী বছৰ বয়স প্ৰাপ্ত কৰাৰ পিচত এনে অধ্যক্ষ বা সদস্যৰূপে পদ ধাৰণ নকৰিব।

*অধ্যক্ষ আৰু সদস্যৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিবন্ধন আৰু চৰ্ত্তাৱলী।*

২২। অধ্যক্ষ আৰু আন সদস্যৰ পেঞ্চন, পাৰিতোষিক আৰু আন অৱসৰকালীন সুবিধাক অন্তৰ্ভুক্ত কৰি দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিৰন্ধন আৰু চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'বঃ

পৰন্তু অধ্যক্ষ বা আন সদস্য সকলৰ বেতন, ভাত্তা আৰু সেৱাৰ আন নিৰন্ধন আৰু চৰ্ত্তাৱলী তেওঁৰ নিযুক্তিৰ পিচত তেওঁৰ অহিতকৰৰূপে পৰিৱৰ্ত্তিত কৰা হ'ব।

*পদৰিক্তিৰ পূৰণ*

২৩। অস্থায়ী অনুপস্থিতিৰ ব্যতিৰেকে কোনো কাৰণৰ বাবে যদিহে অধ্যক্ষ বা সদস্যৰ পদত কোনো পদৰিক্তি ঘটে, কেন্দ্ৰীয় চৰকাৰে, এনে পদৰিক্তি পূৰণ কৰিবলৈ এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত আন ব্যক্তিক নিযুক্তি দিব আৰু কাৰ্য্যবাহী এনে স্তৰৰ পৰা আয়োগত চলি থকিব যি অৱস্থাত ই পদৰিক্তি পূৰণ হোৱাৰ পূৰ্বে আছিল।

*পদত্যাগ আৰু অপসাৰণ।*

২৪। (১) অধ্যক্ষ বা এজন সদস্যই তেওঁ নিজা হস্তাক্ষৰেৰে কেন্দ্ৰীয় চৰকাৰলৈ সম্বোধিত কৰি লিখিত ভাবে এখন সূচনাৰ দ্বাৰা, তেওঁ পদত্যাগ কৰিব পাৰে ঃ

পৰন্তু অধ্যক্ষ বা সদস্যই, যি পৰ্য্যন্ত তেওঁ শীঘ্ৰে তেওঁৰ পদ ত্যাগ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা অনুমতিপ্ৰাপ্ত নহয় এনে জাননী গ্ৰহণৰ তাৰিখৰ পৰা তিনিমাহৰ অৱসানৰ নোহোৱালৈকে বা তেওঁৰ উত্তৰাধিকাৰী ৰূপে এজন ব্যক্তিক সম্যকৰূপে নিযুক্তি নিদিয়ালৈকে বা তেওঁৰ পদাৱধিৰ অৱসান নঘটালৈকে যিটোৱেই আগতীয়া হয়, পদ ধাৰণ কৰি থাকিব।

(২) কেন্দ্ৰীয় চৰকাৰে অধ্যক্ষ বা এজন সদস্যক পদৰ পৰা অপসাৰণ কৰিব যিজন—

(ক) এজন দেউলীয়া ব্যক্তি বুলি অধিনিৰ্ণীত হয় ; বা

(খ) কেন্দ্ৰীয় চৰকাৰৰ মতত নৈতিক ভ্ৰষ্টতাত জড়িত এটা অপৰাধত দোষী সাব্যস্ত হয় ; বা

(গ) এজন সদস্যৰূপে কাৰ্য্য কৰিবলৈ শাৰিৰীক ভাৱে বা মানসিক ভাৱে অক্ষম হয় ; বা

(ঘ) এনে বিত্তীয় বা আন স্বাৰ্থ অৰ্জিত কৰিছে যিটোৱে এজন সদস্যৰূপে তেওঁৰ কৃত্যসমূহক প্ৰতিকুল ভাৱে প্ৰভাৱী কৰাৰ সম্ভৱনা থাকে ; বা

(ঙ) তেওঁ পদৰ এনেদৰে অপব্যৱহাৰ কৰিছে যিটো পদত তেওঁৰ নিৰন্তৰত লোকস্বাৰ্থৰ হানিকাৰক হৈছে ঃ

পৰন্তু কোনো সদস্যক খণ্ড (ঘ) বা খণ্ড (ঙ)ৰ অধীনত অপসাৰিত কৰা নহ'ব যি পৰ্য্যন্ত তেওঁক বিষয়টোত শুনানীৰ এটা সুযোগ দিয়া নহয়।

*অধ্যক্ষ বা সদস্যক সেৱাৰ পৰা অৱসৰ লোৱা বুলি গণ্য কৰা হ'ব।*

২৫। এজন অধ্যক্ষ বা এজন সদস্যৰূপে পদ ধাৰণ কৰা তাৰিখৰ অব্যৱহৃত পূৰ্বে, চৰকাৰৰ সেৱাত থকা এজন ব্যক্তিক এনেদৰে তেওঁ পদত প্ৰৱিষ্টি হোৱা তাৰিখৰ সেৱাৰ পৰা অৱসৰ লোৱা বুলি গণ্য কৰা হ'ব, কিন্তু এজন অধ্যক্ষ বা সদস্যৰূপে তেওঁৰ পচ্যাৎৱৰ্ত্তী সেৱা তেওঁ থকা সেৱাত অৱসৰৰ বাবে হিচাপ কৰা নিৰন্তৰ অনুমোদিত সেৱাৰূপে গণনা কৰা হ'ব।

*অৱসৰৰ নিলম্বন*

২৬। অধ্যক্ষ বা এজন সদস্যৰূপে পদ ধাৰণ কৰা তাৰিখৰ অব্যৱহৃৰ পূৰ্বে প্ৰাপ্তি বা এনেদৰে কৰিবলৈ যোগ্য হোৱা কোনো ব্যক্তিয়ে যদিহে কেন্দ্ৰীয় চৰকাৰৰ অধীনত কোনো পূৰ্বৰ সেৱাৰ সম্বন্ধত কোনো অক্ষম বা ক্ষতি পেঞ্চনৰ ব্যতিৰেকে কোনো পেঞ্চন উলিয়াবলৈ ইচ্ছা কৰে অধ্যক্ষ বা এজন সদস্যৰূপে সেৱাৰ সম্বন্ধত তেওঁৰ বেতন—

(ক) সেই পেঞ্চনৰ ধনৰাশিৰ দ্বাৰা ; আৰু

(খ) যদি পদ ধাৰণৰ পূৰ্বে তেওঁ এনে পূৰ্বৰ সেৱাৰ সম্বন্ধত তেওঁলৈ দেয় পেঞ্চনৰ এটা ভাগৰ পৰিবৰ্তে তাৰ পৰিবৰ্তিত মূল্য গ্ৰহণ কৰিছে অৱসৰৰ সেই অংশৰ ধনৰাশিৰ দ্বাৰা হ্ৰাস কৰা হ'ব।

*মধ্যস্থকাৰীৰূপে কাৰ্য্যৰ কৰাৰ প্ৰতিষেধ।*

২৭। কোনো ব্যক্তিয়ে এজন অধ্যক্ষ বা এজন সদস্যৰূপে পদ ধাৰণ কৰা সময়ত কোনো বিষয়ত মধ্যস্থকাৰীৰূপে কাৰ্য্য নকৰিব।

*বিধি ব্যৱসায় কৰা নিষেধাজ্ঞা।*

২৮। পদ ধাৰণৰ সমাপ্তিত অধ্যক্ষ বা এজন সদস্যই আয়োগত হাজিৰ, কাৰ্য্য বা ওকালতি নকৰিব।

*অধ্যক্ষৰ ক্ষমতা*

২৯। অধ্যক্ষৰ, আয়োগৰ সাধাৰণ প্ৰশাসনৰ অধীক্ষণৰ ক্ষমতা থাকিব আৰু বিহিত কৰা দৰে এনে ক্ষমতা কাৰ্য্যকৰী কৰিব।

*আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দ।*

৩০। (১) কেন্দ্ৰীয় চৰকাৰে, ই উচিত গণ্য কৰা দৰে আয়োগলৈ এনে পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ উপবন্ধ কৰিব।

(২) আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ নিবন্ধনসমূহ আৰু আন চৰ্ত্তাৱলী বিহিত কৰা দৰে এনে হ'ব।

*আয়োগত ক্ষতিপূৰণৰ বাবে কৰা আবেদন।*

৩১। (১) পাৰমানৱিক ক্ষতিৰ বাবে আয়োগত ক্ষতিপূৰণৰ প্ৰত্যেক আবেদন এনে সবিশেষ থকা এনে প্ৰ-পত্ৰত আৰু এনে দস্তাবেজসহ দিয়া হ'ব যিদৰে বিহিত কৰা হয়।

(২) ধাৰা ১৮ৰ উপবন্ধাৱলীৰ সাপেক্ষে, উপধাৰা (১)ৰ অধীনত প্ৰত্যেক আবেদন, এনে ক্ষতি, ভোগা ব্যক্তিৰ দ্বাৰা পাৰমানৱিক ক্ষতি অৱগত হোৱা তাৰিখৰ পৰা তিনিবছৰৰ এটা কালৰ ভিতৰত কৰা হ'ব।

*আয়োগৰ ন্যায় নিৰ্ণয় প্ৰক্ৰিয়া আৰু ক্ষমতা।*

৩২। (১) আয়োগৰ, ধাৰা ৩১ৰ উপধাৰা (১)ৰ অধীনত ইয়াত দাখিল কৰা বা যথাস্থিতি, ধাৰা ৩৩ৰ অধীনত ইয়ালৈ অন্তৰিত কৰা ক্ষতিপূৰণৰ বাবে কৰা প্ৰত্যেক আবেদনৰ ওপৰত ন্যায়নিৰ্ণয়ৰ মূল অধিকাৰিতা থাকিব।

(২) ধাৰা ৩৩ৰ অধীনত আয়োগলৈ গোচৰৰ অন্তৰণৰ ওপৰত, আয়োগে, এনে স্তৰৰ পৰা এনে আবেদন শুনিব যি স্তৰত ই এনে অন্তৰণৰ পূৰ্বে আছিল ;

(৩) আয়োগে দাবী শুনানীৰ প্ৰয়োজনাৰ্থে আয়োগৰ তিনিজনতকৈ অধিক নোহোৱা সদস্যৰে সমাবিষ্ট ন্যায়পীঠ গঠিত কৰিব পাৰে আৰু ইয়াত থকা কোনো বিনিশ্চয় এনে দাবী শুনা সদস্যসমূহৰ এটা সংখ্যাগৰিষ্ঠৰ দ্বাৰা প্ৰচাৰ কৰা নহব।

*১৯০৮ৰ ৫*

(৪) আয়োগ, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ত প্ৰণীত প্ৰক্ৰিয়াৰ দ্বাৰা আৱদ্ধ নহব কিন্তু নৈসৰ্গিক ন্যায়ৰ নীতিসমূহৰ দ্বাৰা পৰিচালিত হ'ব আৰু এই অধিনিয়মৰ আন উপবন্ধাৱলী আৰু ইয়াৰ অধীনত প্ৰণীত কোনো নিয়মাৱলীৰ সাপেক্ষে আয়োগৰ স্থান আৰু সময় য'ত ইয়াৰ বৈঠক বহিছিল, তাক অন্তৰ্ভূক্ত কৰি ইয়াৰ নিজা প্ৰক্ৰিয়া বিনিয়মিত কৰাৰ ক্ষমতা থাকিব।

*১৯০৮ৰ ৫*

(৫) আয়োগৰ, নিম্নলিখিত বিষয়সমূহৰ সম্বন্ধত এটা বাদ বিচাৰ কৰাৰ সময়ত, এই অধিনিয়মৰ

অধীনত ইয়াৰ কৃত্যসমূহৰ নিৰ্বহনৰ প্ৰয়োজনাৰ্থে, চিভিল প্ৰক্ৰিয়া সংহিতা, ১৯০৮ ৰ অধীনত এখন চিভিল ন্যায়ালয়ত ন্যস্ত কৰা দৰে একেই ক্ষমতা থাকিব অৰ্থাৎ—

(ক) কোনো ব্যক্তিক চমন জাৰি কৰা আৰু হাজিৰ কৰোৱা, বলবৎ কৰা আৰু শপতত তেওঁক পৰীক্ষা কৰা ;

(খ) দস্তাবেজৰ উদ্ধাৰন আৰু উপস্থাপন ;

(গ) শপত পত্ৰত সাক্ষ্য গ্ৰহণ কৰা ;

(ঘ) কোনো ন্যায়ালয় বা কাৰ্যালয়ৰ পৰা কোনো লোক অভিলেখ বা ইয়াৰ প্ৰতিলিপি অধিগ্ৰহণ কৰা ;

(ঙ) কোনো সাক্ষীৰ পৰীক্ষণৰ বাবে কমিচন জাৰী কৰা ;

(চ) বিহিত কৰিব পৰা আন কোনো বিষয়।

(৬) আয়োগে, প্ৰৱৰ্ত্তকলৈ আবেদনৰ সূচনা দিয়াৰ পিচত, আৰু পক্ষসমূহক শুনানীৰ এটা সুযোগ প্ৰদানৰ পিচত, এনে প্ৰাপ্তিৰ তাৰিখৰ পৰা তিনিমাহৰ এটা কালৰ ভিতৰত এনে আবেদনৰ নিষ্পত্তি কৰিব আৰু তদনুসাৰে এটা অধিনিৰ্ণয় দিব।

(৭) এই ধাৰাৰ অধীনত এটা অধিনিৰ্ণয় দিয়াৰ সময়ত, আয়োগে, বীমা বা এন্যথায় কোনো সংবিদাৰ অনুসৰণৰ আবেদকৰ দ্বাৰা প্ৰাপ্ত কোনো সুবিধা, পাৰিশোধ বা ধনৰাশিক বিবেচনাত নলব।

১৯০৮ ৰ ৫

(৮) যেতিয়া এজন প্ৰৱৰ্ত্তকৰ তেওঁৰ দ্বাৰা দেয় ধনৰাশি অধিনিৰ্ণয়ৰ কৌশলেৰে পৰিহাৰ কৰাৰ উদ্দেশ্য তেওঁৰ সম্পত্তি অপসাৰণ বা নিষ্পত্তি কৰাৰ সম্ভৱনা থাকে, আয়ুক্তই, চিভিল প্ৰক্ৰিয়া সংহিতা ১৯০৮ ৰ প্ৰথম অনুসূচীৰ আদেশ X X X IX ৰ নিয়মাৱলী ১ৰ পৰা ৪ৰ উপবন্ধাৱলীৰ অনুসৰণত, এনে কাৰ্য্য বাৰণ কৰিবলৈ এটা অস্থায়ী নিষেধাজ্ঞা মঞ্জুৰ কৰিব পাৰে।

(৯) আয়োগে এনে অধিনিৰ্ণয়ৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ এটা কালৰ ভিতৰত সংশ্লিষ্ট পক্ষসমূহলৈ অধিনিৰ্ণয়ৰ প্ৰতিলিপি প্ৰদান কৰিববলৈ ব্যৱস্থা কৰিব।

(১০) উপধাৰা (৬)ৰ অধীনত দিয়া প্ৰত্যেক অধিনিৰ্ণয় চূড়ান্ত হ'ব।

*আয়োগলৈ লম্বিত গোচৰসমূহৰ অন্তৰণ।*

৩৩। ধাৰা ১৯ৰ অধীনত আয়োগৰ স্থাপনৰ তাৰিখৰ অব্যৱহৃত পূৰ্বে দাবী আয়ুক্তত লম্বিত ক্ষতিপূৰণৰ বাবে কৰা প্ৰত্যেক আবেদন, সেই তাৰিখত আয়োগলৈ অন্তৰিত হ'ব।

*দাবী আয়ুক্ত বা আয়োগত কৰা কাৰ্য্যবাহীসমূহ ন্যায়িক কাৰ্য্যবাহী হ'ব।*

*১৮৬০ৰ ৪৫।*

৩৪। এই অধিনিয়মৰ অধীনত দাবী আয়ুক্ত বা আয়োগত কৰা প্ৰত্যেক কাৰ্য্যবাহীক, ভাৰতীয় দণ্ড সংহিত ধাৰ ১৯৩, ২১৯ আৰু ২২৮ আৰু ধাৰা ১৯৬ৰ প্ৰয়োজনাৰ্থে ন্যায়িক কাৰ্য্যবাহী বুলি গণ্য কৰা হ'ব।

**পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০**

*চিভিল ন্যায়ালয়ৰ অধিকাৰিতাৰ বৰ্জন।*

৩৫। ধাৰা ৪৬ত অন্যথা উপবন্ধিত ব্যতিৰেকে, (সংবিধানৰ অনুচ্ছেদ ২২৬ আৰু ২২৭ৰ অধীনত অধিকাৰিতা প্ৰয়োগ কৰা উচ্চতম ন্যায়ালয় আৰু এখন উচ্চ ন্যায়ালয়ৰ ব্যতিৰেকে) কোনো চিভিল ন্যায়ালয়ৰ, এই অধিনিয়মৰ অধীনত দাবী আয়ুক্ত বা যথাস্থিতি আয়োগে অধিনিৰ্ণয় কৰিবলৈ ক্ষমতাৰ্পিত কোনো বিষয়ৰ সম্বন্ধত কোনো বাদ বা কাৰ্য্যবাহী চলোৱাৰ অধিকাৰিতা নাথাকিব আৰু এই অধিনিয়মৰ দ্বাৰা বা অধীনত প্ৰদত্ত কোনো ক্ষমতাৰ অনুসৰণত লোৱা বা লবলগীয়া কাৰ্য্য ব্যৱস্থাৰ সম্বন্ধত কোনো ন্যায়ালয় বা আন প্ৰাধিকাৰীৰ দ্বাৰা কোনো নিষেধাজ্ঞা মঞ্জুৰ কৰা নহ'ব।

*অধিনিৰ্ণয়ৰ বলবৎকৰণ।*

৩৬। (১) যেতিয়া, ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত বা ধাৰা ৩২ৰ উপধাৰা (৬)ৰ অধীনত এটা অধিনিৰ্ণয় কৰা হয় —

(ক) ধাৰা ৮ৰ অধীনত বীমা বা বিত্তীয় প্ৰতিভূতিৰ সংবিদাৰ অধীনত এনে অধিনিৰ্ণয়ৰ নিৱন্ধনত কোনো ধনৰাশি আদায় দিবলৈ আৰু এনে সংবিদাৰ অধীনত তেওঁৰ দায়িত্বৰ বিস্তাৰলৈ অপেক্ষিত হোৱা বীমাকাৰী বা যথাস্থিতি কোনো ব্যক্তিয়ে দাবী আয়ুক্ত বা যথাস্থিতি, আয়োগে নিৰ্দেশ দিয়া দৰে এনে সময়ৰ ভিতৰত আৰু এনে ৰীতিত সেই ধনৰাশি নিক্ষেপ কৰিব।

(খ) প্ৰৱৰ্ত্তকে ধাৰা ৬ৰ উপধাৰা (২)ৰ অধীনত বিনিৰ্দিষ্ট অধিকতম দায়িত্বৰ সাপেক্ষে অৱশিষ্ট ধনৰাশি নিক্ষেপ কৰিব যাৰ দ্বাৰা এই অধিনিৰ্ণয় খণ্ড (ক)ৰ অধীনত নিক্ষেপিত ধনৰাশিৰ অধিক হয়।

(২) উপধাৰা (১)ত নিৰ্দেশিত কোনো ব্যক্তিয়ে যদিহে অধিনিৰ্ণয়ত বিনিৰ্দিষ্ট কৰা কালৰ ভিতৰত অধিনিৰ্ণয়ৰ ধনৰাশি নিক্ষেপ কৰিবলৈ অসফল হয়, এনে ধনৰাশি ভূমি ৰাজহ বকেয়াৰূপে এনে ব্যক্তিৰ পৰা পূনৰ আদায় কৰা হ'ব।

(৩) উপধাৰা (১)ৰ অধীনত নিক্ষেপিত ধনৰাশি এনে নিক্ষেপৰ তাৰিখৰ পৰা পোন্ধৰ দিনৰ এটা কালৰ ভিতৰত অধিনিৰ্ণয়ত বিনিৰ্দিষ্ট কৰা দৰে এনে ব্যক্তিলৈ বিতৰণ কৰা হ'ব।

*বাৰ্ষিক প্ৰতিবেদন*

৩৭। আয়োগে বিহিত কৰা দৰে, প্ৰত্যেক বিত্তীয় বৰ্ষত এনে প্ৰ-পত্ৰত আৰু এনে সময়ত সেই বিত্তীয় বৰ্ষত ইয়াৰ কাৰ্যকলাপৰ সম্পূৰ্ণ বিৱৰণৰ এটা বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ এটা প্ৰতিলিপি দাখিল কৰিব যাক সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰিবলৈ কাৰিত কৰিব।

*কেতবোৰ পৰিস্থিতিত আয়োগৰ ভংগকৰণ।*

৩৮। (১) যেতিয়া কেন্দ্ৰীয় চৰকাৰ সন্তুষ্ট হয় যে প্ৰয়োজনসমূহ, যাৰ বাবে, ধাৰা ১৯ৰ অধীনত স্থাপিত আয়োগে ইয়াৰ প্ৰয়োজন পূৰণ কৰিছে বা যেতিয়া এনে আয়োগত লম্বিত গোচৰসমূহৰ সংখ্যা ইমান কম হয় যে ইয়াৰ নিৰন্তৰ কাৰ্য্যৰ ব্যয় ন্যায়সংগত নহয় বা য'ত ই এনেদৰে কৰাটো আৱশ্যকীয় বা সমীচীন বুলি বিবেচনা কৰে, কেন্দ্ৰীয় চৰকাৰে অধিসূচনাৰ দ্বাৰা, আয়োগ ভংগ কৰিব পাৰে।

(২) উপধাৰা (১)ৰ অধীনত আয়োগৰ ভংগকৰণৰ অধিসূচনাৰ তাৰিখৰ পৰা প্ৰভাৱী হোৱাকৈ,—

(ক) এনে অধিসুচনাৰ তাৰিখত আয়োগত লম্বিত কাৰ্য্যবাহী, যদি কিবা থাকে, ধাৰা ৯ৰ উপধাৰা (২)ৰ অধীনত কেন্দ্ৰত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়োজিত দাবী আয়ুক্তলৈ অন্তৰিত কৰা হ'ব ;

(খ) আয়োগৰ অধ্যক্ষ আৰু সকলো সদস্যক এনেদৰে তেওঁ লোকৰ পদসমূহ ৰিক্ত হোৱা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকে তেওলোকৰ পদৰ সময়পূৰ্ব অৱসানৰ বাবে কোনো ক্ষতিপূৰণৰ বাবে হক্‌দাৰ নহব ;

(গ) আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দক বিহিত কৰা দৰে এনে ৰীতিত কেন্দ্ৰীয় চৰকাৰৰ এনে আন প্ৰাধিকৰণ বা কাৰ্য্যলয়লৈ অন্তৰিত কৰা হ'ব ঃ

পৰন্তু এনেদৰে অন্তৰিত পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দই, সেৱাৰ একেই নিবন্ধন আৰু চৰ্ত্তালৈ হক্‌দাৰ হ'ব, যিদৰে আয়োগত তেওঁলোকৰ দ্বাৰা ধাৰণ কৰা হ'লহেতেঁন ঃ

অধিকন্তু যেতিয়া আয়োগৰ এজন পদাধিকাৰী বা এজন কৰ্মচাৰীয়ে এনে আন প্ৰাধিকৰণ বা কাৰ্য্যালৰ সেৱাসমূহত যোগদান কৰিবলৈ অস্বীকাৰ কৰে, তেওঁক পদত্যাগ কৰা বুলি গণ্য কৰা হ'ব আৰু সেৱাৰ সংবিদাৰ সময়পূৰ্ব অৱসানৰ বাবে কোনো ক্ষতিপূৰণলৈ হক্‌দাৰ নকৰিব ;

(ঘ) আয়োগৰ সকলো সম্পত্তি আৰু দায়িত্ব কেন্দ্ৰীয় চৰকাৰত ন্যস্ত হ'ব।

(৩) উপধাৰা (১)ৰ অধীনত আয়োগৰ ভংগকৰণ স্বত্বেও, এনে ভংগকৰণৰ পূৰ্বে আয়োগৰ দ্বাৰা দিয়া কোনো আদেশ বা জাৰী কৰা সূচনা বা দিয়া কোনো নিযুক্তি, দৃঢ়কৰণ বা ঘোষণা বা নিষ্পাদিত কোনো দস্তাবেজ বা লেখ্য বা দিয়া কোনো নিৰ্দেশক অন্তৰ্ভূক্ত কৰি কৰা কোনো কাৰ্য্য বা লোৱা কোনো কাৰ্য্য ব্যৱস্থা বা কৰিবলৈ বা লবলৈ তাৎপৰ্য্যিত কোনো কাৰ্য্যব্যৱস্থাক বৈধভাৱে কৰা বা লোৱা বুলি গণ্য কৰা হ'ব।

(৪) এই ধাৰাৰ কোনো কথাই, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অনুসৰণত আয়োগৰ ভংগকৰণৰ পিচত আয়োগ স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক বাৰণ কৰা বুলি অৰ্থ নকৰিব।

## অধ্যায়—৬

## অপৰাধ আৰু দণ্ড

*অপৰাধ আৰু দণ্ড*

৩৯। (১) যিয়েই—

(ক) এই অধিনিয়মৰ অধীনত প্ৰণীত কোনো নিয়মাৱলী বা জাৰী কৰা কোনো নিৰ্দেশনা উলংঘন কৰে ; বা

(খ) ধাৰা ৮ৰ উপবন্ধাৱলীৰ পালন কৰিবলৈ অসফল হয় ; বা

(গ) ধাৰা ৩৬ৰ অধীনত ধনৰাশিৰ নিক্ষেপ কৰিবলৈ অসফল হয় তেওঁ পাঁচ বছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

(২) ধাৰা ৪৩ৰ অধীনত জাৰী কৰা কোনো নিৰ্দেশনা পালন কৰিবলৈ অসফল হোৱা বা এই অধিনিয়মৰ অধীনত তেওঁ ক্ষমতাৰ কাৰ্য্যকৰীকৰণত কোনো প্ৰাধিকাৰীক বাধা দিয়া

ব্যক্তিয়ে এবছৰলৈ বিস্তৃত হ'ব পৰা এটা অৱধিৰ বাবে কাৰাবাসেৰে বা জৰিমনাৰে বা উভয়েৰে দণ্ডিত হ'ব।

*কোম্পানীৰ দ্বাৰা কৰা অপৰাধ।*

৪০। (১) যেতিয়া এই অধিনিয়মৰ অধীনত এটা অপৰাধ কোনো কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয়, অপৰাধটো সংঘটিত হোৱাৰ সময়ত কোম্পানীৰ কামকাজৰ পৰিচালনাৰ বাবে কোম্পানীৰ দৰে কোম্পানীত প্ৰত্যক্ষৰূপে ভাৰপ্ৰাপ্ত বা দায়িত্বত থকা প্ৰত্যেক ব্যক্তিক অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তেওঁৰ বিৰুদ্ধে কাৰ্য্যবাহীলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই উপধাৰাত থকা কোনো কথাই এনে কোনো ব্যক্তিক এই অধিনিয়মৰ অধীনত কোনো দণ্ডলৈ দায়ী নকৰিব যদি তেওঁ প্ৰমাণ কৰে যে অপৰাধটো তেওঁৰ জ্ঞান বিনা সংঘটিত কৰা হৈছিল বা এনে অপৰাধৰ সংঘটনক বাধা দিবলৈ তেওঁ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

(২) উপধাৰা (১)ত কোনো কথা থকা সত্বেও, যেতিয়া এই অধিনিয়মৰ অধীনত কোনো অপৰাধ এটা কোম্পানীৰ দ্বাৰা সংঘটিত কৰা হয় আৰু এইটো প্ৰমাণ কৰে যে অপৰাধটো কোম্পানীৰ কোনো সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীৰ সন্মতি বা মৌন সন্মতিত সংঘটিত হৈছে বা তেওঁলোকৰ পক্ষত কোনো অৱহেলাৰে আৰোপনীয় হয়, তাত এনে সঞ্চালক, পৰিচালক, সচিব বা আন পদাধিকাৰীকো সেই অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্য্যবাহীলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব।

স্পষ্টীকৰণ— এই ধাৰাৰ প্ৰয়োজনাৰ্থে,—

(ক) "কোম্পানী" মানে কোনো নিগমিত নিকায় আৰু ই, এখন ফাৰ্ম বা ব্যক্তিৰ আন সন্থাক অন্তৰ্ভুক্ত কৰে ;

(খ) কোনো ফাৰ্মৰ সম্পৰ্কে "সঞ্চালক" মানে ফাৰ্মৰ এজন ভাগীদাৰী।

*চৰকাৰী বিভাগৰ দ্বাৰা কৰা অপৰাধ ।*

৪১। যেতিয়া এই অধিনিয়মৰ অধীনত এটা অপৰাধ চৰকাৰৰ কোনো বিভাগৰ দ্বাৰা সংঘটিত কৰা হয় বিভাগৰ মূৰব্বীজনৰ অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু তেওঁৰ বিৰুদ্ধে কাৰ্য্যবাহীলৈ দায়ী হ'ব আৰু তদনুসাৰে দণ্ডিত হ'ব ঃ

পৰন্তু এই ধাৰাত থকা কোনো কথাই বিভাগৰ এনে মূৰব্বীক কোনো দণ্ডৰ বাবে দায়ী নকৰিব যদিহে তেওঁ প্ৰমান কৰে যে অপৰাধটো তেওঁৰ জ্ঞান বিনা সংঘটিত হৈছিল বা তেওঁ এনে অপৰাধৰ সংঘটনক প্ৰতিষেধ কৰিবলৈ সকলো সম্যক তৎপৰতা প্ৰয়োগ কৰিছিল।

*অপৰাধৰ সংজ্ঞান*

৪২। এজন মহানগৰ দণ্ডাধীশ বা এজন প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ নিম্নতৰ কোনো ন্যায়ালয়ে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ বিচাৰ নকৰিব ঃ

পৰন্তু কেন্দ্ৰীয় চৰকাৰ বা সেই চৰকাৰৰ দ্বাৰা এই মৰ্মে প্ৰাধিকৃত কোনো প্ৰাধিকাৰী, পদাধিকাৰীৰ দ্বাৰা দিয়া কোনো অভিযোগৰ ব্যতিৰেকে এনে অপৰাধৰ সংজ্ঞান লোৱা নহ'ব।

## অধ্যায়—৭

## বিবিধ

*নিৰ্দেশনা দিয়াৰ ক্ষমতা।*

৪৩। কেন্দ্ৰীয় চৰকাৰে, কোনো প্ৰবৰ্তক, ব্যক্তি, পদাধিকাৰী, প্ৰাধিকাৰী বা নিকায়ক, এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ই উচিত গণ্য কৰা দৰে, এই অধিনিয়মৰ অধীনত ইয়াৰ ক্ষমতাৰ প্ৰয়োগত আৰু ইয়াৰ কৃত্যৰ সম্পাদনত এনে নিৰ্দেশনা জাৰী কৰিব পাৰে আৰু এনে প্ৰৱৰ্ত্তক, ব্যক্তি, পদাধিকাৰী, প্ৰাধিকাৰী বা নিকায়ে এনে নিৰ্দেশ পালন কৰিবলৈ বাধ্য হ'ব।

*তথ্য বিচৰাৰ ক্ষমতা*

৪৪। কেন্দ্ৰীয় চৰকাৰে ই আৱশ্যকীয় গণ্য কৰা দৰে এজন প্ৰৱতৰ্ত্তকৰ পৰা এনে তথ্য বিচাৰিব পাৰে।

*এই অধিনিয়ৰ প্ৰয়োগৰ পৰা ৰেহাই।*

৪৫। কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা এই অধিনিয়মৰ প্ৰয়োগৰ পৰা কোনো পাৰমানৱিক সংস্থাপনক ৰেহাই দিব পাৰে, য'ত ক্ষুদ্ৰ পৰিমাণৰ পাৰমানৱিক সামগ্ৰীৰ প্ৰতি লক্ষ্য ৰাখি, এই মত দিয়ে যে ইয়াৰ সৈতে জড়িত থকা বিপদ গুৰুত্বপূৰ্ণ নহয়।

*অধিনিয়মখন কোনো আন বিধিৰ অতিৰিক্ত হ'ব।*

৪৬। এই অধিনিয়মৰ উপবন্ধাৱলী সম্প্ৰতি বলবৎ কোনো আন বিধিৰ অতিৰিক্ত হ'ব আৰু অল্পীকৰণ নহ'ব আৰু ইয়াত থকা কোনো কথাই কোনো কাৰ্য্যবাহীৰ পৰা প্ৰৱৰ্ত্তকক ৰেহাই নিদিব যিটো এই অধিনিয়মৰ বাহিৰেও এনে প্ৰৱৰ্ত্তকৰ বিৰুদ্ধে চলোৱা হ'ব পাৰে।

*সদ্ বিশ্বাসত লোৱা কাৰ্যব্যৱস্থাৰ সুৰক্ষা।*

৪৭। কোনো বাদ, অধিযোৰণ বা আন বিধিক কাৰ্য্যবাহী, এই অধিনিয়মৰ বা ইয়াৰ অধীনত প্ৰণীত কোনো নিয়ম বা আদেশ বা জাৰী কৰা নিৰ্দেশনাৰ অনুসৰণত সদ্ বিশ্বাসত ইয়াৰ বা তেওঁৰ দ্বাৰা কৰা যিকোনোটোৰ সম্বন্ধত কেন্দ্ৰীয় চৰকাৰ বা ব্যক্তি, পদাধিকাৰী বা প্ৰাধিকাৰীৰ বিৰুদ্ধে, নচলিব।

*নিয়ম প্ৰণয়নৰ ক্ষমতা।*

৪৮। (১) কেন্দ্ৰীয় চৰকাৰে, অধিসূচনাৰ দ্বাৰা, এই অধিনিয়মৰ প্ৰয়োজন কাৰ্য্যকৰী কৰাৰ বাবে নিয়মাৱলী প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষতঃ আৰু পূৰ্বগামী ক্ষমতাৰ ব্যাপকতাৰ ওপৰত প্ৰতিকুল প্ৰভাৱ নেপেলোৱাকৈ এনে নিয়মাৱলীয়ে নিম্নলিখিতসমূহক উপবন্ধ কৰিব পাৰে—

(ক) ধাৰা ৮ৰ উপধাৰা (১)ৰ অধীনত আন বিত্তীয় প্ৰতিভূতি আৰু ইয়াৰ ৰীতি ;

(খ) ধাৰা ১১ৰ অধীনত দাবী আয়ুক্তলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিৱন্ধন আৰু চৰ্ত্তাৱলী ;

(গ) ধাৰা ১২ৰ উপধাৰা (১)ৰ অধীনত দাবী আয়ুক্তৰ দ্বাৰা অনুসৰণ কৰিবলগীয়া প্ৰক্ৰিয়া;

(ঘ) ধাৰা ১২ৰ উপধাৰা (২)ৰ অধীনত দাবী আয়ুক্তৰ দ্বাৰা সহযোগী হবলগীয়া ব্যক্তি আৰু, সেই বিষয়ে ৰীতি ;

(ঙ) ধাৰা ১২ৰ উপধাৰা (৩)ৰ অধীনত সহযোগী ব্যক্তিৰ পাৰিশ্ৰমিক, মাচুল বা ভাত্তা ;

(চ) ধাৰা ১২ৰ উপধাৰা (৪)ৰ খণ্ড (চ)ৰ অধীনৰ আন কোনো বিষয় ;

(ছ) ধাৰা ১৫ৰ উপধাৰা (১)ৰ অধীনত আবেদন প্ৰপত্ৰ, আৰু ইয়াত থকা সবিশেষ আৰু ইয়াৰ লগত গাঠি দিয়া দস্তাবেজ ;

(জ) ধাৰা ২২ৰ অধীনত অধ্যক্ষ আৰু আন সদস্যলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ আন নিৱন্ধন আৰু চৰ্ত্তাৱলী ;

(ঝ) ধাৰা ২৯ৰ অধীনত অধ্যক্ষৰ ক্ষমতা ;

(ঞ) ধাৰা ৩০ৰ উপধাৰা (২)ৰ অধীনত আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দলৈ দেয় বেতন আৰু ভাত্তা আৰু সেৱাৰ নিবন্ধন আৰু আন চৰ্ত্তাৱলী ;

(ট) ধাৰা ৩১ৰ উপধাৰা (১)ৰ অধীনত আবেদনৰ প্ৰপত্ৰ, ইয়াত থকা সবিশেষ আৰু ইয়াৰ লগত গাঠি দিয়া দস্তাবেজ ;.

(ঠ) ধাৰা ৩২ৰ উপধাৰা (৫)ৰ খণ্ড (চ)ৰ অধীনত আন কোনো বিষয় ;

(ড) ধাৰা ৩৭ৰ অধীনত আয়োগৰ দ্বাৰা বাৰ্ষিক প্ৰতিবেদনৰ প্ৰস্তুত কৰাৰ বাবে প্ৰপত্ৰ আৰু সময় ;

(ঢ) ধাৰা ৩৮ৰ উপধাৰা (২)ৰ খণ্ড (গ)ৰ অধীনত আয়োগৰ পদাধিকাৰী আৰু আন কৰ্মচাৰীবৃন্দৰ অন্তৰণৰ ৰীতি।

(৩) কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা এই অধিনিয়মৰ অধীনত প্ৰণীত প্ৰত্যেক নিয়ম, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে অধিবেশন চলি থকা সময়ত যেতিয়া ই অধিবেশনত এখন বা দুখন বা ততোধিক ক্ৰমাগত অধিবেশনত গঠিত হ'ব পৰা মুঠ ত্ৰিশ দিন কালৰ বাবে সংসদৰ প্ৰত্যেক সদনত উত্থাপন কৰা হ'ব আৰু যদিহে উপৰোক্ত অধিবেশনৰ অব্যৱহৃত পৰৱৰ্ত্তী অধিবেশন বা ক্ৰমাগত অধিবেশনৰ অৱসানৰ পূৰ্বে, উভয় সদনে নিয়মত কোনো সালসলনি কৰিবলৈ সন্মত হয় বা উভয় সদন সন্মত হয় যে নিয়ম প্ৰণয়ন কৰিব নালাগে তেন্তে তাৰ পিচত নিয়মটো কেৱল সালসলনি ৰূপত প্ৰভাৱী হ'ব বা যথাস্থিতি প্ৰভাৱহীন হ'ব, সেয়ে হলেও এনে সালসলনি বা ৰদ্‌কৰণ, সেই নিয়মৰ অধীনত পূৰ্বেকৃত কোনো কাৰ্য্যৰ বিধিমান্যতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ হ'ব।

*জটিলতা দূৰীকৰণৰ ক্ষমতা।*

৪৯। (১) এই অধিনিয়মৰ উপবন্ধাৱলীক প্ৰভাৱী কৰোতে যদিহে কোনো জটিলতাৰ উদ্ভৱ হয়, কেন্দ্ৰীয় চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা, এই অধিনিয়মৰ উপবন্ধাৱলীৰ অসংগত নোহোৱা এনে উপবন্ধাৱলী প্ৰণয়ন কৰিব পাৰে যিদৰে জটিলতা দূৰীকৰণৰ বাবেই আৱশ্যকীয় বা সমীচীন হোৱা বুলি প্ৰতীত হয় ঃ

পৰন্তু কোনো আদেশ, এই অধিনিয়মৰ প্ৰাৰম্ভৰ পৰা তিনিবছৰৰ অৱসানৰ পিচত এই ধাৰাৰ অধীনত প্ৰণীত কৰা নহব।

(২) এই ধাৰাৰ অধীনত প্ৰণীত প্ৰত্যেক আদেশ, ইয়াক প্ৰণয়ন কৰাৰ পিচত যথাশীঘ্ৰে সংসদৰ প্ৰত্যেক সদনত উত্থাপিত কৰা হ'ব।

**The Civil Liability For Nuclear Damage Act, 2010**
**No. 38 of 2010**

# পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০
(২০১০ৰ সংখ্যা ৩৮)

## GLOSSARY OF TERMS

পৰিভাষা

| | Reference | English Term | Assamese Equivalent |
|---|---|---|---|
| 1. | (3) (b) | Continental Shelf | মহাদেশীয় খাত |
| 2. | (G) (vii) | Toxic | বিষসংক্ৰান্তীয় |
| 2. | (j) (a) | Propulsion | প্ৰনোদন |
| 2. | (j) (b) | Irradiated | প্ৰবিকিৰিত |
| 2. | (1) | Nuclear Reactor | পাৰমানৱিক ৰিয়েক্টৰ |
| 5. | (i) (II) | Insurrection | বিপ্লৱ |
| 17. | | Recourse | সহায় |
| 17. | (b) | Latent defect | অপ্ৰকট ত্ৰুটী |
| 18. | (b) Pro | Jettisoned | প্ৰক্ষেপন কৰা |

— 000 —

ৰাষ্ট্ৰপতিয়ে পাৰমানৱিক ক্ষতিৰ বাবে চিভিল দায়িত্ব অধিনিয়ম, ২০১০ (২০১০ৰ অধিনিয়ম সংখ্যা ৩৮) ৰ ওপৰোক্ত অসমীয়া অনুবাদ, প্ৰাধিকৃত পাঠ, (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাজপত্ৰত প্ৰকাশিত কৰাৰ কাৰণে প্ৰাধিকৃত কৰি দিছে (১৯৭৩ৰ অধিনিয়ম সংখ্যা ৫০)।

নতুন দিল্লী
তাৰিখঃ

সচিব, ভাৰত চৰকাৰ

The above translation in Assamese of The Civil Liability For Nuclear Damage Act, 2010 (Act No. 38 of 2010) has been authorised by the President to be published in the Official Gazette under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 (Act No. 50 of 1973).

New Delhi
Date :

**G. NARAYANA RAJU,**
Secretary to the Govt. of India

*ভাৰত চৰকাৰৰ হকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ০৫-১১-১৯*